**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-07-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

00000

১। বিভিন্ন বিষয়ক কেন্দ্ৰ কৰি বিৰোধীপক্ষৰ সাংসদসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ ফলত সংসদৰ উভয় সদনৰ কাম-কাজ আজিৰ দিনটোৰ বাবে স্থগিত ৰখা হয়।

২। ৰাজস্থানৰ ঝালাৱৰ জিলাৰ পিপল'ডি গাঁৱৰ এখন চৰকাৰী উচ্চ প্ৰাথমিক বিদ্যালয়ৰ চাদৰ একাংশ খহি পৰাৰ ফলত ৭ জন ছাত্ৰ-ছাত্ৰীৰ মৃত্যু হোৱাৰ লগতে ২০ জনৰো অধিক আহত হয়।

৩। ভাৰতে আজি মালদ্বীপৰ সৈতে কৃষি আৰু মীন পালন, ভাৰতীয় ফাৰ্মাক'পিয়াৰ ডিজিটেল সমাধান আৰু স্বীকৃতি সন্দৰ্ভত চাৰিখন বুজাবুজিৰ চুক্তি আৰু আন তিনিখন চুক্তিত স্বাক্ষৰ কৰে।

৪। বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই দক্ষিণ আফ্ৰিকাৰ আম্পু মালাংগাত অনুষ্ঠিত জি টুৱেণ্টি উন্নয়ন মন্ত্ৰীসকলৰ প্ৰথমখন অধিৱেশনত আজি অংশগ্ৰহণ কৰে।

*আৰু*

৫। এণ্ডাৰ্ছন- তেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলত ইংলেণ্ডে আজি তৃতীয় দিনৰ খেল আৰম্ভ কৰি নিজৰ প্ৰথম ইনিংছত ভাৰততকৈ অগ্ৰগতি লাভ কৰিছে।

00000

বিভিন্ন বিষয়ক কেন্দ্ৰ কৰি বিৰোধীপক্ষৰ সাংসদসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ ফলত সংসদৰ উভয় সদনৰ কাম-কাজ আজিৰ দিনটোৰ বাবে স্থগিত ৰখা হয়। প্ৰথমবাৰৰ বাবে স্থগিত ৰখাৰ পাছত লোকসভা দিনৰ ২ বজাত পুনৰ মিলিত হোৱাৰ পাছতে বিৰোধী পক্ষৰ সদস্যসকলে তেওঁলোকৰ প্ৰতিবাদ অব্যাহত ৰখাৰ বাবে সদনৰ কাম-কাজ ব্যাহত হয়। অধ্যক্ষৰ আসনত থকা বিজেপিৰ সাংসদ জগদম্বিকা পালে প্ৰতিবাদী সাংসদসকলক শান্ত হৈ তেওঁলোকৰ আসনলৈ উভতি যাবলৈ আহ্বান জনায়। ইপিনে, কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে গোৱাৰ বিধানসভা সমষ্টিসমূহত অনুসূচিত জনজাতিৰ প্ৰতিনিধিত্বৰ পুনৰ সংযোজন বিধেয়ক-২০২৪ সন্দৰ্ভত তেওঁক সদনত বক্তব্য ৰাখিবলৈ সুযোগ প্ৰদান কৰিব লাগে বুলি মন্তব্য কৰে। অধ্যক্ষই বাৰম্বাৰ অনুৰোধ কৰা সত্বেও বিৰোধী পক্ষৰ সদস্যসকলে তেওঁলোকৰ দাবীসমূহক লৈ ধ্বনি দিয়া অব্যাহত ৰাখে, যাৰ ফলত অধ্যক্ষই সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়। ইয়াৰ পূৰ্বে আজি পুৱা ১১ বজাত লোকসভাৰ কামকাজৰ আৰম্ভনিতে কাৰ্গিল বিজয় দিৱসৰ ২৬ সংখ্যক বাৰ্ষিকীৰ পূৰ্বে সদনে আদি দেশৰ সাহসী সৈনিকসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই দেশৰ সুৰক্ষাৰ বাবে প্ৰাণ আহুতি দিয়া সশস্ত্ৰ বাহিনীৰ জোৱানসকলৰ ত্যাগ আৰু সাহসিকতাৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। অতিশয় দুৰ্গম এলেকাত

অৱস্থিত কাৰ্গিলৰ পৰা প্ৰতিকূল বতৰৰ মাজতো দৃষ্টান্তমূলক সাহসিকতাৰে শত্ৰুপক্ষক খেদি পঠিওৱাৰ ক্ষেত্ৰত সফলতা প্ৰদৰ্শন কৰা সাহসী সৈনিকসকলক সদনে সন্মান জনায়।

ইয়াৰ পাছতেই অধ্যক্ষগৰাকীয়ে সদনৰ প্ৰশ্নকাল আৰম্ভ কৰিবলৈ চেষ্টা কৰে যদিও বিৰোধী পক্ষৰ সাংসদসকল সদনৰ মজিয়ালৈ উঠি আহি বিহাৰত ভোটাৰ তালিকাৰ বিশেষ সংশোধনৰ বিষয়ে আলোচনাৰ লগতে ইয়াৰ প্ৰত্যাহাৰৰ দাবীত ধ্বনি দিবলৈ ধৰে। অধ্যক্ষগৰাকীয়ে প্ৰশ্নকালৰ কামকাজ চলাই নিয়াত সহযোগিতা কৰিবলৈ আহ্বান জনাই শ্ৰী বিৰলাই কয়, যে তেওঁলোকৰ আচৰণ সদনৰ গৰিমাৰ পৰিপন্থী। সদনৰ মজিয়াত প্লেকাৰ্ড প্ৰদৰ্শন কৰা আৰু কামকাজ ব্যাহত কৰাৰ বিষয় লৈ উদ্বেগ প্ৰকাশ কৰি অধ্যক্ষই  কয়, যে বিগত কেইটামান দিনত বিৰোধী পক্ষই পৰিকল্পিতভাৱে সদনৰ কামকাজ ব্যাহত কৰা পৰিলক্ষিত হৈছে। এনে আচৰণ গণতান্ত্ৰিক ব্যৱস্থাৰ অনুকূল নহয় বুলিও তেওঁ মতপ্ৰকাশ কৰে। তৎসত্বেও বিৰোধী পক্ষৰ সদস্যসকলে তেওঁৰ আহ্বানৰ প্ৰতি কোনো গুৰুত্ব আৰোপ নকৰি প্ৰতিবাদ অব্যাহত ৰাখে। এনে হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে অধ্যক্ষগৰাকীয়ে সদনৰ কামকাজ দুই বজালৈ স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

একেদৰে ৰাজ্য সভাতো আজি অনুৰূপ ধৰণৰ পৰিস্থিতিৰ উদ্ভৱ হয়। প্ৰথমবাৰৰ বাবে স্থগিত ৰখাৰ পাছত ১২ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত সভাপতিৰ আসনত থকা ঘনশ্যাম তিৱাৰীয়ে প্ৰশ্নকাল আৰম্ভ কৰিবলৈ বিচৰাৰ লগে লগে বিৰোধীপক্ষৰ সাংসদসকলে বিভিন্ন দাবী উত্থাপন কৰি হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰে। সদনৰ ভাৰপ্ৰাপ্ত সভাপতিগৰাকীয়ে প্ৰশ্নকাল পৰিচালনাৰ সুচল কৰি তোলাৰ বাবে বাৰম্বাৰ অনুৰোধ জনোৱা সত্বেও তেওঁলোকে বিভিন্ন শ্লোগানেৰে প্ৰতিবাদ অব্যাহত ৰাখে। এনে হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে কৃষি আৰু কৃষক কল্যাণ দপ্তৰৰ মন্ত্ৰী শিৱৰাজ সিং চৌহানে, কৃষকসকলৰ কল্যাণ আৰু সমস্যাসমূহৰ বিষয়ক লৈ প্ৰশ্ন উত্থাপন কৰা হৈছে বুলি উল্লেখ কৰি কয়, যে এনে কাৰণতে প্ৰশ্নকাল সম্পন্ন কৰাটো গুৰুত্বপূৰ্ণ। মন্ত্ৰীগৰাকীয়ে এনে প্ৰশ্নসমূহৰ উত্তৰ দিবলৈ বিচাৰে যদিও প্ৰশ্নকালত অংশগ্ৰহণ নকৰা বুলি তেওঁ বিৰোধী সাংসদসকলক দোষাৰোপ কৰে। ইয়াৰ পাছত শ্ৰী চৌহানে বিকশিত কৃষি সংকল্প অভিযানৰ সুফল সন্দৰ্ভত সদনত  উত্থাপিত এটা প্ৰশ্নৰ উত্তৰ দিয়ে। সেই সময়তো হুলস্থূলীয়া পৰিৱেশ অব্যাহত থকা সভাপতিগৰাকীয়ে দিনটোৰ বাবে সদন স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত সদন মিলিত হোৱাৰ পাছত তামিলনাডুৰ পৰা ৰাজ্যসভাক প্ৰতিনিধিত্ব কৰি নতুনকৈ নিৰ্বাচিত সাংসদসকলে শপতগ্ৰহণ কৰে। শপতগ্ৰহণ অনুষ্ঠানৰ পাছত ৰাজ্যসভাৰ উপ-সভাপতি হৰিবংশে বিহাৰত ভোটাৰ তালিকাৰ বিশেষ সংশোধনকে ধৰি ভিন ভিন বিষয়ক লৈ কেইবাটাও ৰাজনৈতিক দলৰ পৰা ২৮ খন সভা স্থগিতৰ জাননী লাভ কৰা বুলি উল্লেখ কৰি এই জাননীসমূহ খাৰিজ কৰে।

ooooo

ৰাজস্থানৰ ঝালাৱাৰ জিলাৰ মনোহৰ থানা বিধানসভা সমষ্টিৰ অন্তৰ্গত পিপল'ডি গাঁৱৰ এখন চৰকাৰী উচ্চ প্ৰাথমিক বিদ্যালয়ৰ চাদৰ একাংশ খহি পৰাৰ ফলত ৭ জন ছাত্ৰ-ছাত্ৰীৰ মৃত্যু হোৱাৰ লগতে ২০ জনৰো অধিক আহত হয়। এই দুৰ্ঘটনাৰ পাছতে গাঁওবাসীয়ে তাৎক্ষণিকভাৱে উদ্ধাৰ অভিযান চলায় আৰু আঘাতপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলক চিকিৎসালয়ত ভৰ্তি কৰায়। ঝালাৱাৰৰ আৰক্ষী অধীক্ষক অমিত কুমাৰে আকাশবাণীৰ সংবাদদাতাক জনোৱা মতে দুৰ্ঘটনাত গুৰুতৰভাৱে আহত ১২ জনক ঝালাৱাৰ চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হৈছে। এই দুৰ্ঘটনাত হতাহত হোৱা ছাত্ৰ-ছাত্ৰীসকল ষষ্ঠৰ পৰা অষ্টম শ্ৰেণীৰ শিক্ষাৰ্থী বুলিও তেওঁ জানিবলৈ দিয়ে।

ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজনলাল শৰ্মাই এই দুৰ্ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে। ৰাজ্যখনৰ শিক্ষা মন্ত্ৰী মদন দিলৱাৰে এই দুৰ্ঘটনা অতি দুখজনক বুলি প্ৰকাশ কৰি দুৰ্ঘটনাৰ এটা উচ্চ পৰ্যায়ৰ তদন্ত কৰা হ'ব বুলি উল্লেখ কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০

ভাৰতে আজি মালদ্বীপৰ সৈতে কৃষি আৰু মীন পালন, ভাৰতীয় ফাৰ্মাক'পিয়াৰ ডিজিটেল সমাধান আৰু স্বীকৃতি সন্দৰ্ভত চাৰিখন বুজাবুজিৰ চুক্তি আৰু আন তিনিখন চুক্তিত স্বাক্ষৰ কৰে। ইয়াৰ উপৰি ভাৰতে মালদ্বীপলৈ ৪ হাজাৰ ৮৫০ কোটি টকাৰ সুদবিহীন ঋণ আগবঢ়াইছে। দুয়োখন দেশৰ মাজত আজি ভাৰত-মালদ্বীপ মুক্ত বাণিজ্য চুক্তিৰ প্ৰাসঙ্গিক নীতি-নিয়মসমূহো আলোচনা কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মালদ্বীপৰ ৰাষ্ট্ৰপতি ড০ মহম্মদ মুইজ্জুৱে আজি দেশখনৰ ৰাজধানী মালেৰ ৰাষ্ট্ৰপতিৰ কাৰ্য্যালয়ত প্ৰতিনিধি পৰ্য্যায়ৰ বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত শ্ৰীমোদীৰ লগতে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰ, ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভাল আৰু দুয়োখন দেশৰে কেইবাগৰাকীও জ্যেষ্ঠ বিষয়াই ভাগ লয়। ইয়াৰ পূৰ্বে দ্বিদেশীয় ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত আজি মালদ্বীপৰ ৰাজধানী মালেত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক মালদ্বীপৰ ৰাষ্ট্ৰপতি ড০ মহম্মদ মুইজ্জুৱে ভেলেনা আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত আদৰণি জনায়।

আজিৰ বৈঠকত দুয়োগৰাকী নেতাই পাৰস্পৰিক স্বাৰ্থ সম্বলিত বিভিন্ন বিষয়ত আলোচনাত মিলিত হয়। তেওঁলোকে ব্যাপক অৰ্থনৈতিক আৰু সামুদ্ৰিক সুৰক্ষা অংশীদাৰিত্বৰ ক্ষেত্ৰত ভাৰত-মালদ্বীপৰ যুটীয়া দৃষ্টিভংগী ৰূপায়ণৰ অগ্ৰগতিৰ বুজ লয়। উল্লেখযোগ্য যে, ২০২৪ চনৰ অক্টোবৰত ৰাষ্ট্ৰপতি মুইজ্জুৰ ভাৰত ভ্ৰমণৰ সময়ত এই অংশীদাৰিত্বৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল।

শ্ৰী মোদীয়ে কাইলৈ মালদ্বীপৰ স্বাধীনতাৰ ৬০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজন কৰা অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

০০০০০

বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই অবৈধ বিত্তীয় প্ৰৱাহ আৰু সামাজিক সুৰক্ষাৰ বিৰুদ্ধে দক্ষিণ আফ্ৰিকাৰ আম্পু মালাংগাত অনুষ্ঠিত জি টুৱেণ্টি উন্নয়ন মন্ত্ৰীসকলৰ প্ৰথমখন অধিৱেশনত আজি অংশগ্ৰহণ কৰে। সামাজিক সুৰক্ষাৰ ক্ষেত্ৰত ভাৰতে লাভ কৰা সৰ্বাত্মক সফলতাত আলোকপাত কৰি শ্ৰীমাৰ্ঘেৰিটাই বহনক্ষম অৰ্থনৈতিক ব্যৱধান দূৰ কৰাৰ প্ৰয়োজনীয়তাতো গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে দক্ষিণ ভাৰতৰ পৰিকল্পনা, নিৰীক্ষণ আৰু পৰ্য্যালোচনা দপ্তৰৰ মন্ত্ৰীক সাক্ষাৎ কৰি দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপতিৰ অগ্ৰাধিকাৰৰ প্ৰতি ভাৰতৰ সমৰ্থন প্ৰকাশ কৰে আৰু খনিজ পদাৰ্থ আৰু ঋণৰ স্থায়িত্বত গুৰুত্ব আৰোপ কৰে।

০০০০০

এণ্ডাৰ্ছন- তেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলত ইংলেণ্ডে আজি তৃতীয় দিনৰ খেল আৰম্ভ কৰি নিজৰ প্ৰথম ইনিংছত ভাৰততকৈ অগ্ৰগতি লাভ কৰিছে। কালি প্ৰথম ইনিংছত দুটা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ২২৫ ৰাণৰ পৰা আজিৰ খেল আৰম্ভ কৰি অ'লি প'প আৰু জ' ৰুটৰ আকৰ্ষণীয় বেটিঙেৰে ভোজন বিৰতিৰ পৰলৈকে নতুনকৈ কোনো উইকেট নেহেৰুৱাকৈ ৩৩২ ৰাণ সংগ্ৰহ কৰে। সেই সময়ত অ'লি প'প ৭০ আৰু জ' ৰুট ৬৩ ৰাণত অপৰাজিত হৈ আছিল। ভোজন বিৰতিৰ পাছত কম সময়ৰ

ব্যৱধানতে ইংলেণ্ডে অ'লি প'প আৰু হেৰি ব্ৰুকৰ উইকেট হেৰুৱায়। ৱাছিংটন সুন্দৰে প'পক ৭১ আৰু ব্ৰুকক ০ ৰাণতে আউট কৰে। বাতৰি যুগুতোৱাৰ পৰলৈকে ইংলেণ্ডে প্ৰথম ইনিংছত ৪ উইকেটৰ বিনিময়ত ৩৮০ ৰাণ সংগ্ৰহ কৰি খেলি আছিল।

ইয়াৰ পূৰ্বে ভাৰতে কালি ৩৫৮ ৰাণত প্ৰথম ইনিংছ সামৰে।

ooooo

সমাপ্ত